নটোৰ বাণী
জন শিক্ষকে কৰিব
কাম এগৰাকী আদৰ্শ
অকলেই কৰিব পাৰে।
— জৰ্জ হাৰ্বাৰ্ট

# অসম আদিত্য

RNI REGN. No. : ASSAS
epaper.asomadity
Portal : www.asomad
e-mail : asomaditya@

স্বাস্থ্য
যদি কোষ্ঠকাঠিন্যৰ
ভুগিছে তেন্তে খালি পেট
সিজোৱা বিটৰ ৰস খাওক
শীঘ্ৰে আৰোগ্য লাভ

বছৰ ■ সংখ্যা ৭৬ ■ ৭ চ'ত, ১৯৪৬ শক ■ শুকুৰবাৰ, ২১ মাৰ্চ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, March 21, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডি



### ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় যুৱ সংসদত বিধায়ক গগৈ

# ৬ হাজাৰ বছৰৰ পূৰ্বেই বিশ্বগুৰু আছিল ভাৰত

## দৃষ্টি ভংগী

□ তাছৰিন চুলতানা চৌধুৰী



চাৰিওদিশে চাহ গছেৰে আৱৰি থকা ডিব্ৰুগড় নগৰখন অসমৰ ভিতৰতেই এখন জাকত জিলিকা ঠাই। চাহ নগৰী হিচাপেখ্যাত ডিব্ৰুগড়খন শিক্ষা, সাহিত্য, সংস্কৃতি সকলো ক্ষেত্ৰতে যথেষ্ট আগবঢ়া। ডিব্ৰুগড় বিশ্ববিদ্যালয়কে আৰম্ভ কৰি বিভিন্ন শিক্ষানুষ্ঠানে ঠাইখনক অনন্য শিক্ষাকেন্দ্ৰিক নগৰ কৰি গঢ়ি তুলিছে। য'ত অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ কলেজ, ডিব্ৰু কলেজ , মনোহৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়কে ধৰি বহু শিক্ষানুষ্ঠান জিলাখনত অৱস্থিত। ইয়াৰ উপৰিও স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰটো ডিব্ৰুগড় সুবিধাজনক ঠাই। অসমৰ বিখ্যাত অসম চিকিৎসা মহাবিদ্যালয় নগৰখনৰ মাজমজিয়াত থকাটো জনসাধৰণৰ বাবে আশীৰ্বাদস্বৰূপ। শেহতীয়াকৈ দ্বিতীয় মহানগৰ হিচাপে ঘোষণা কৰাৰ পিছত ডিব্ৰুগড়ত গঢ় লৈ উঠা এটাৰ পিছত আনটো প্ৰশাসনিক ভৱনে জিলাখনক অনন্য মত্ৰাৰ প্ৰদান কৰিছে। অৱশ্যে চাফ চিকুনতাৰ ক্ষেত্ৰতো ডিব্ৰুগড়বাসীৰ যথেষ্ট কৰিবলগীয়া আছে। একেদৰে, নৱনিৰ্মিত ৰাজ-পথ, নলা-নৰ্দমাই শেহতীয়াকৈ জনসাধাৰণক সমস্যাত পেলাইছে। এইক্ষেত্ৰত ডিব্ৰুগড় পৌৰ নিগম তথা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তথাপি অচিৰেই এই সমস্যাসমূহ সমাধান হ'ব বুলি মই আশাবাদী।

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ মাৰ্চ ঃ** অতি পুৰণি আৰু গুণী-জ্ঞানী সভ্যতাৰে সমৃদ্ধ ভাৰতবৰ্ষ আজিৰ পৰা ৬,০০০ বছৰৰ আগতেই বিশ্ব গুৰুৰ আসনত আছিল। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব'ক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ মন্ত্ৰণালয়ৰ উদ্যোগত, গুৱাহাটিস্থ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক কাৰ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সহযোগত ২০ আৰু ২১ মাৰ্চত দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৫ৰ আজিৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰি খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে এইদৰে কয়। তেওঁ কয়— যি সময়ত আমাৰ ভাৰতবৰ্ষত গীতা, ভাগৱত, পুৰাণ, উপনিষদৰ দৰে বিশ্ববন্দিত গ্ৰন্থ আৰু গোটেই বিশ্বত জ্ঞানৰ জ্যোতি বিলাব পৰা গ্ৰন্থ আমাৰ পূৰ্বপুৰুষ ঋষি, মুনিসকলে গছৰ তলত, গছৰ খোৰোঙত, পৰ্বতৰ গুহাত বহি যেতিয়া এই গ্ৰন্থসমূহ লিখিছিল সেই সময়তেই ভাৰতবৰ্ষ বিশ্বগুৰুৰ আসনত আছিল বুলি উল্লেখ কৰি কয়— সেই সময়ত বিশ্বক দিক দৰ্শন দিব পৰা এনে গ্ৰন্থ কোনো দেশতে নাছিল। কিন্তু আজি আমি আকৌ সেই বিশ্বগুৰুৰ আসন লাভ কৰিবৰ বাবে প্ৰয়াস চলাব লগা হৈছে। বিধায়কগৰাকীয়ে কয়— আমি বিশ্বগুৰু হ'বলৈ হ'লে আমাৰ দক্ষতা বিকাশৰ লগতে শৈক্ষিক, বৌদ্ধিক, মানসিক বিকাশ কৰিব লাগিব। আমি আমাৰ পাঠ্যক্ৰমৰ শিক্ষাতে আবদ্ধ নাথাকি জীৱনটোক সকলো দিশৰ পৰা সফল কৰি তুলিব পৰা দক্ষতা আহৰণ কৰিব লাগিব। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভা গৃহলৈ অনা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়— যুৱ অনুষ্ঠানটোৱেই শিক্ষা তথা দক্ষতা আহৰণ কৰি জীৱনটো সফল কৰি তোলাৰ অন্যতম সোণালী সময়। এই সোণালী সময়খিনি অনাৱশ্যকীয় কামত ব্যৱহাৰ নকৰি জীৱনটোক সফল কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ আহ্বান জনাই কয়— আমি যি বিভাগৰ ছাত্ৰ-ছাত্ৰীয়েই নহওক লাগিলে আমি ৰাজনৈতিক ক্ষেত্ৰখনৰ জ্ঞান অৰ্জন কৰিবই লাগিব। মহাবিদ্যালয়ৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয়— এখন দেশ শক্তিশালী কৰিবলৈ হ'লে সেয়া যুৱ প্ৰজন্মই কৰিব পাৰে আৰু দেশ এখন ধ্বংস কৰিবলৈ হ'লে যুৱ প্ৰজন্মক ধ্বংস কৰি দিলেই হ'ল। ভাৰতীয় যুৱক-যুৱতীসকলে এখন জ্ঞানৰ সমাজ গঢ়ি তোলাৰ শক্তি আছে বুলি উল্লেখ কৰি তেওঁ কয়— ভাৰতবৰ্ষক বিশ্বগুৰু কৰিবলৈ দেশৰ যুৱক-যুৱতীসকল ওলাই আহিব লাগিব। বিশ্বক নেতৃত্ব দিব পৰা যুৱক-যুৱতী সৃষ্টি কৰিব লাগিব। সেয়া ভাৰতবৰ্ষৰ প্ৰাচীন জ্ঞান পৰম্পৰা অধ্যয়ন কৰিলেই জানিব আৰু বুজিব পাৰি বুলি তেওঁ কয়। ডিব্ৰুগড়, চৰাইদেউ আৰু তিনিচুকীয়া জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক সামৰি জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা এই




যুৱ সংসদত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সমন্বয়ক ড০ ডেভিদ কাৰ্ডং। তেওঁ বিকশিত ভাৰতৰ উদ্দেশ্য আৰু যুৱ সমাজৰ ভূমিকা সন্দৰ্ভত কয় যে যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণ আৰু দেশৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি ধাউতি সৃষ্টিয়েহে ভাৰতবৰ্ষক বাস্তৱ ৰূপত বিকশিত আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব পাৰিব। 'এক ৰাষ্ট্ৰ এক নিৰ্বাচন' শীৰ্ষক বিষয়ক সদনৰ মূল বিষয় হিচাপে লৈ অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীয়ে। বক্তৃতানুষ্ঠানটিত বিচাৰক হিচাপে উপস্থিত থাকে ক্ৰমে— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ প্ৰকল্প বিষয়া ড০ অমৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ দৰ্পনজিৎ কোঁৱৰ, ন্যায়িক অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড০ হেমন্ত কুমাৰ হাজৰিকা। আজি প্ৰথমদিনাৰ অনুষ্ঠানটিত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা প্ৰাথমিক পৰ্যায়ত নিৰ্বাচিত প্ৰায় ৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বক্তৃতা প্ৰদান কৰে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে বিধায়ক চক্ৰধৰ গগৈক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ফুলাম গামোচা, চেলেং, কিতাপৰ টোপোলা আৰু অনুষ্ঠানৰ স্মৃতি বিজৰিত এখন স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জনায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ড০ মৃদুল শৰ্মা, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অধ্যাপক অভিজিত বৰুৱাকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰকল্প বিষয়া শিৱনাথ চুতীয়াই।

# দুলীয়াজান কলেজত পুৰণি গ্ৰন্থ-আলোচনীৰ প্ৰদৰ্শনী, আলোচনা সভা

'কিতাপ পঢ়োঁ